
# অকঁনিহতঁৰ বাবে বাইবেলখন

আগবঢ়াইছে



## যীচুৰ বাবে এক ভয়ংকৰ সময়

লিখিছে: Edward Hughes

ব্যাখ্যা কৰিছে: Byron Unger, Lazarus
Alastair Paterson

গ্ৰহণ কৰিছে: M. Maillot, Sarah S.


অনুবাদ কৰিছে:
ডঃ শান্তি ৰাণী সিং, এম. এচ. চি. পি. এইচ. ডি.

প্ৰকাশ কৰিছে: Bible for Children
www.M1914.org

©2025 Bible for Children, Inc.
অনুমতি: এই কাহিনীটো নকল বা ছপা কৰা অধিকাৰ
আপোনাৰ আছে, কিন্তু ইয়াক বিক্ৰী নকৰিব।




যতেয়িা যীচুক বাপ্তষি্মা লোৱা হছৈলি, ততেয়িা ঈশ্বৰে এইদৰে কছৈলি। তওঁ ক'লে, "এয়া মোৰ প্ৰয়ি পুত্ৰ। তওঁৰ ক্ষত্ৰেত মই ভালদৰে সন্তুষ্ট।" ঈশ্বৰৰ পবত্ৰি আত্মাই যীচুৰ ওপৰত কপৌৰ দৰে নামি আহছিলি।




তাৰ পিছত ঈশ্বৰৰ পবিত্ৰ
আত্মাই যীচুক এক অৰণ্যৰ
ঠাইলৈ লৈ গৈছিল । যীচু
অকলে আছিল ।
3


যীচুৱে চল্লিশ দিন উপবাস কৰিছিল । ইয়াৰ
অৰ্থ হৈছে তেওঁ কোনো খাদ্য খোৱা
নাছিল । তেওঁ বৰ ভোক লাগিছিল ।
4


বাইবেলে কৈছে যে বনৰীয়া
জন্তুবোৰো তাত আছিল ।
5


চয়তানে যীচুক প্ৰলোভিত কৰিবলৈ
আহিছিল । বহু আগতে তেওঁ আদম আৰু
হৱাক এদন বাগিচাত ঈশ্বৰক অমান্য
কৰিবলৈ প্ৰলোভিত কৰিছিল । এতিয়া
যীচুক পৰীক্ষা কৰা হ'ব ।
6


চয়তানে ঈশ্বৰৰ
পুত্ৰ যীচুকো
প্ৰলোভিত কৰিবলৈ
চেষ্টা কৰিব পাৰে ।
7


" যদি তুমি ঈশ্বৰৰ পুত্ৰ , তেন্তে এই
শিলবোৰক পিঠালৈ পৰিৱৰ্তন কৰক ।"
তেওঁ জানিছিল যে যীচুৰ ভোক লাগিছে ।
তেওঁ জানিছিল যে ঈশ্বৰৰ পুত্ৰই শিলবোৰ
পিঠালৈ পৰিৱৰ্তন কৰিব পাৰে । যীচুৱে
চয়তানৰ আজ্ঞা পালন কৰিব নে ?
8



নহয়!  যীচুৱে চয়তানৰ আজ্ঞা পালন কৰা নাছিলি । ইয়াৰ পৰিৱৰ্তে তেওঁ ঈশ্বৰৰ বাক্যৰ পৰা উত্তৰ দিছিলি ।  "মানুহে কেৱল পিঠাৰ দ্বাৰা জীয়াই নাথাকিবি, কিন্তু ঈশ্বৰৰ মুখৰ পৰা ওলাই অহা প্ৰতিটো শব্দৰ দ্বাৰা জীয়াই থাকিবি ।"
পবিত্ৰ বাইবেল
9
তেতিয়া চয়তানে যীচুক মহানগৰ যিৰূচালেমলৈ লৈ গ'ল, পবিত্ৰ মন্দিৰলৈ য'ত মানুহে ঈশ্বৰক উপাসনা কৰিছিলি। ইয়াৰ পিছত চয়তানে কি কৰিবি?
10
"যদি তুমি ঈশ্বৰৰ পুত্ৰ, তেন্তে নিজকে তললৈ পেলোই দিয়া" চয়তানে ক'লে। "তেওঁৰ বাক্যই কয় যে তেওঁৰ স্বৰ্গদূতসকলে আপোনাক ৰক্ষা কৰিবি।"
11
" নাই!" যীচুৱে উত্তৰ দিলে। "এইতো লিখা আছে... `আপুনি আপোনাৰ ঈশ্বৰ যিহোৱাক পৰীক্ষা নকৰিবি।'"
পবিত্ৰ বাইবেল
12
চয়তানে আকৌ চেষ্টা কৰিলে। তেওঁ যীচুক নগৰৰ বাহিৰলৈ লৈ গৈ এটা অতি ওখ পৰ্বতৰ শৃংগলৈ লৈ গ'ল।
13
যীচুক প্ৰতিটো পাৰ্থিৱ ৰাজ্যৰ সকলো মহিমা দেখুৱাই চয়তানে ক'লে, "মই আপোনাক সকলো দিম, যদি আপুনি তললৈ পৰি মোক পূজা কৰে।"
14

"মোৰ পিছফালে যোৱা চয়তান!" যীচুৱে আজ্ঞা দিলে। "লিখা আছে... 'তোমালোকে তোমাৰ ঈশ্বৰ যিহোৱাৰ উপাসনা কৰিবা আৰু কেৱল তেওঁৰ সেৱা কৰিবা।'"




15

চয়তানে যীচুক কিছু সময়ৰ বাবে এৰি থৈ গ'ল। তেতিয়াই কিবা এটা আচৰিত কথা ঘটিলি। ঈশ্বৰে তেওঁৰ পুত্ৰ যীচুক সান্ত্বনা আৰু যত্ন ল'বলৈ স্বৰ্গদূত পঠিয়াইছিলি - যিজনে চয়তানৰ আজ্ঞা পালন কৰা নাছিলি।



16

যীচুৰ বাবে এক ভয়ংকৰ সময়

**ঈশ্বৰৰ বাক্য, বাইবেলত**

**এই কাহিনী পোৱা যায়**

**মথি ৪, লূক ৪**

"তোমাৰ বাক্য প্ৰকাশে দীপ্তি দিয়ে।"
গীতমালা ১১৯:১৩০ পদ

17

# সমাপ্ত

38 60

18

বাইবেলৰ এই কাহিনীয়ে আমাক আমাৰ আশ্চৰ্য্যজনক ঈশ্বৰৰ বিষয়ে কয়,
যিজনাই আমাক নিৰ্ম্মাণ কৰিলে আৰু যি জনাই আমি তেওঁৰ বিষয়ে জনাতো বাঞ্ছা কৰে।

ঈশ্বৰে জানে যে আমি বেয়া কাম কৰিলো, যাক তেওঁ পাপ বুলি আখ্যা দিছে। পাপৰ শাস্তি হৈছে মৃত্যু, কিন্তু ঈশ্বৰে তোমাক ইমান প্ৰেম কৰে যে, তেওঁ নিজৰ একমাত্ৰ পুত্ৰ যীচুক পঠাই দিছিল, যাতে তেওঁ তোমাৰ পাপৰ কাৰণে শাস্তি পাই ক্ৰুচত মৃত্যু বৰণ কৰে। তাৰ পিছত যীচু জীৱিত হ'ল আৰু তেওঁৰ ঘৰ স্বৰ্গলৈ গ'ল। তুমি যদি যীচুত বিশ্বাস কৰা আৰু তোমাৰ পাপবোৰ ক্ষমা কৰিবলৈ কোৱা, তেতিয়া তেওঁ নিশ্চয়ে কৰিব! তেওঁ এতিয়াই আহি তোমাত নিবাস কৰিব, আৰু তুমি চিৰকাল তেওঁৰ লগত নিবাস কৰিবা।

তুমি যদি এই সত্যত বিশ্বাস কৰা, তেতিয়া ঈশ্বৰক এইদৰে কোৱা:
প্ৰিয় যীচু, মই বিশ্বাস কৰো যে, আপুনি ঈশ্বৰ, মোৰ পাপৰ কাৰণে মৃত্যু বৰণ কৰিবলৈ আপুনি মানুহৰ ৰূপ ধাৰণ কৰিলে, আৰু এতিয়া আপুনি আকৌ জীৱিত। মোৰ জীৱনলৈ আহঁক আৰু মোৰ পাপবোৰ ক্ষমা কৰক, যাতে এতিয়া মই নতুন জীৱন পাব পাৰো, আৰু এদিন চিৰদিনৰ কাৰণে আপোনাৰ লগত থাকিবলৈ আপোনাৰ ওচৰলৈ যাব পাৰো। আপোনাৰ বাধ্য হৈ আপোনাৰ সন্তানৰ দৰে আপোনাৰ কাৰণে জীয়াই থাকিবলৈ মোক সহায় কৰক। আমেন।

বাইবেলখন পঢ়া আৰু প্ৰতিদিনে ঈশ্বৰৰ লগত কথোপকথন কৰা!
যোহন ৩:১৬ পদ।

19